**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত পঞ্চম ৰাষ্ট্ৰীয় জল বঁটাসমূহ প্ৰদান কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কাজানত উপস্থিত হৈছে।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে অনাদায় ঋণ আৰু উচ্চ মূলধনী পৰ্যাপ্ততাৰ অনুপাত কম হোৱা বাবেই ভাৰতৰ বেংকিং ব্যৱস্থা শক্তিশালী হৈ আছে।

৪। ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই চতুৰ্থ বৰ্গৰ বাবে ২৭ অক্টোবৰত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অন্তিম পৰ্যায় সন্দৰ্ভত আজি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে আলোচনাত মিলিত হয়।

*আৰু*

৫। নিৰ্বাচন আয়োগে ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত পঞ্চম ৰাষ্ট্ৰীয় জল বঁটাসমূহ প্ৰদান কৰে। অনুষ্ঠানত শ্ৰেষ্ঠ ৰাজ্য, শ্ৰেষ্ঠ জিলা, শ্ৰেষ্ঠ গাঁও পঞ্চায়ত, শ্ৰেষ্ঠ নগৰ অঞ্চল, শ্ৰেষ্ঠ জল ব্যৱহাৰকাৰী সংস্থা আৰু শ্ৰেষ্ঠ নাগৰিক সমাজকে ধৰি ৯ টা শাখাৰ ৩৮ গৰাকী বিজেতাক বঁটা প্ৰদান কৰা হয়। এই উপলক্ষে ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে, চৰকাৰে জলজীৱন মিছনৰ অধীনত দেশৰ গ্ৰাম্যাঞ্চলৰ ৭৮ শতাংশৰো অধিক পৰিয়াললৈ নল যোগে বিশুদ্ধ খোৱাপানী প্ৰাদান কৰিছে। তেওঁ কয় যে, ২০১৯ চনত এই মিছন আৰম্ভ কৰাৰ সময়ত গ্ৰাম্যাঞ্চলৰ মাত্ৰ ১৭ শতাংশ পৰিয়ালতহে নল যোগে পানী যোগানৰ ব্যৱস্থা আছিল। জলজীৱন মিছনৰ বাবে গ্ৰাম্যাঞ্চলত বাস কৰা জনসাধাৰণৰ জীৱন উন্নত হৈছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, পানী সংৰক্ষণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। তেওঁ লগতে দেশত ভূগৰ্ভৰ জলস্তৰ ক্ৰমান্বয়ে হ্ৰাস পোৱাক লৈ উদ্বেগ প্ৰকাশ কৰে।

***বাইট***

আমাৰ সংবাদদাতাই জনাইছে যে, ওড়িশাক শ্ৰেষ্ঠ ৰাজ্যৰ শিতানত প্ৰথম, উত্তৰ প্ৰদেশক দ্বিতীয় আৰু গুজৰাট তথা পুডুচেৰীক যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। প্ৰতিটো শাখাৰ বিজেতাক প্ৰশস্তিপত্ৰ, ট্ৰফী আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'য়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কাজানত উপস্থিত হৈছে। ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত শ্ৰী মোদীয়ে কয় যে, ভাৰতে ইতিমধ্যে গোলকীয় উন্নয়ন কাৰ্যসূচী, সংশোধিত বহুপাক্ষিকতাবাদ, জলবায়ু পৰিৱৰ্তন, অৰ্থনৈতিক সহযোগিতা, শক্তিশালী যোগান শৃংখলা নিৰ্মাণ, সাংস্কৃতিক আৰু জনসম্পৰ্কৰ প্ৰসাৰৰ দৰে বিষয়সমূহক লৈ আলোচনাৰ গুৰুত্বপূৰ্ণ মঞ্চৰূপে পৰিগণিত ব্ৰীকছ্‌ ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজৰ ঘনিষ্ঠ সহযোগিতাত গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ কয় যে, যোৱা বছৰ নতুন সদস্যৰ অন্তৰ্ভুক্তিৰে ব্ৰীকছ্‌ ৰাষ্ট্ৰগোষ্ঠীৰ সম্প্ৰসাৰণে বিশ্বৰ মংগলৰ হকে সংস্থাটোৰ কাৰ্যসূচী অধিক সৰ্বাত্মক কৰি তুলিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, জুলাইত মস্কোত আয়োজিত বাৰ্ষিক শীৰ্ষ সন্মিলনৰ ভিত্তিত তেওঁৰ কাজান যাত্ৰাই ভাৰত আৰু ৰাছিয়াৰ মাজৰ বিশেষ আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰি তুলিব।

০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে অনাদায় ঋণ আৰু উচ্চ মূলধনী পৰ্যাপ্ততাৰ অনুপাত কম হোৱা বাবেই ভাৰতৰ বেঙকিং ব্যৱস্থা শক্তিশালী হৈ আছে। তেওঁ কয় যে, গুৰুত্বপূৰ্ণ উদ্যোগসমূহৰ বিনিয়োগ বৃদ্ধিৰ বাবে আৱশ্যকীয় ঋণ প্ৰদান কৰাটো বিত্তীয় ক্ষেত্ৰৰ নিৰন্তৰ বিকাশৰ বাবে গুৰুত্বপূৰ্ণ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কৰ কলোম্বিয়া বিশ্ববিদ্যালয়ৰ এটা সত্ৰক সম্বোধন কৰি বিত্তমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। পূৰ্বতে সেৱাৰ পৰা বঞ্চিত হৈ থকা লাখ লাখ লোকক ডিজিটেল বিত্তীয় ব্যৱস্থাৰে সামৰি লোৱাৰ ফলত ভাৰতীয় অৰ্থব্যৱস্থাৰ আঘাত সহাৰ ক্ষমতা আৰু বৃদ্ধি পাইছে। তেওঁ কয় যে, সমগ্ৰ দেশত যোগাযোগ সুনিশ্চিত কৰাৰ উদ্দেশ্যে ভাৰতমালা আৰু সাগৰমালাৰ দৰে বৃহৎ প্ৰকল্প ৰূপায়ণৰ ফলত ভাৰতত আন্তঃগাঁথনিৰ বিকাশ ত্বৰান্বিত হৈছে।

০০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইৰ গৱৰ্ণৰ শক্তিকান দাসে কৈছে যে, বুনিয়াদী চালিকাশক্তি ৰূপে পৰিচিত ব্যৱহাৰ আৰু বিনিয়োগ চাহিদা বৃদ্ধিৰ বাবে ভাৰতৰ বিকাশ ধাৰা অক্ষুণ্ণ থাকিব। শ্ৰী দাসে ৰিজাৰ্ভ বেংকৰ মাহেকীয়া বুলেটিন যোগে কয় যে ২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ৭ দশমিক ২ শতাংশ হোৱাৰ সম্ভাৱনা আছে। তেওঁ কয় যে, উন্নত কৃষি প্ৰেক্ষাপট আৰু গ্ৰাম্য চাহিদাৰ বাবে ব্যক্তিগত ব্যৱহাৰৰ সম্ভাৱনা উজ্বল হ'ব বুলি আশা কৰা হৈছে।

সেৱা খণ্ডৰ নিৰন্তৰ বিকাশে নগৰাঞ্চলৰ চাহিদা বৃদ্ধিত অৰিহণা যোগাব বুলি আৰ বি আইৰ গৱৰ্ণৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বাজেট অনুযায়ী কেন্দ্ৰয় আৰু ৰাজ্য চৰকাৰৰ ব্যয়ো বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। আৰ বি আইৰ নথি অনুসৰি ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে উপভোক্তা মূল্য সূচাংক আধাৰিত মুদ্ৰাস্ফীতি ৪ দশমিক ৫ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই ২৭ অক্টোবৰত চতুৰ্থ বৰ্গৰ বাবে হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অন্তিম পৰ্যায় সন্দৰ্ভত আজি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আলোচনাত মিলিত হয়। ২৭ অক্টোবৰত পুৱা চাৰে ৯ বজাৰ পৰা চাৰে ১১ বজালৈ এহেজাৰ ৪৮৪টা

আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি ৪ বজালৈ ৮০৮টা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব। এই পৰীক্ষাত মুঠ ৮ লাখ ২৭ হাজাৰ ১৩০ গৰাকী প্ৰাৰ্থীয়ে অৱতীৰ্ণ হ'ব।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে নিকা আৰু স্বচ্ছভাৱে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্য সচিবগৰাকীয়ে প্ৰকাশ কৰে। পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে ইতিমধ্যে নিৰ্দেশনাৱলী জাৰি কৰা হৈছে আৰু পৰীক্ষাৰ লগত জড়িত ব্যক্তিসকলে এই নিৰ্দেশ মানি চলাটো বাধ্যতামূলক। পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া, তত্বাৱধায়ক আৰু নিৰীক্ষণকাৰীসকলক পুনৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলে নিজ নিজ অঞ্চলত সমন্বয় স্থাপনেৰে স্পৰ্শকাতৰ কেন্দ্ৰসমূহৰ তদাৰক কৰিব লাগিব। পৰিবহন বিভাগে প্ৰাৰ্থী আৰু সাধাৰণ জনতাৰ চলাচলত যাতে ব্যাঘাতৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰখা বাঞ্চনীয়। আৰক্ষীয়ে সামাজিক মাধ্যমৰ কামকাজসমূহ নিৰীক্ষণ কৰিব লাগিব আৰু অনাকাংক্ষিত ঘটনা সন্দৰ্ভত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান আৰু আইন শৃংখলা শাখাৰ মহাপৰিদৰ্শকক অৱগত কৰিব লাগিব। মহিলা প্ৰাৰ্থীৰ ক্ষেত্ৰত নিৰীক্ষণ মৰ্যাদাপূৰ্ণ হ'ব লাগিব। যদি কোনো মহিলা প্ৰাৰ্থীয়ে নিৰীক্ষণৰ সময়ত অনাকাংক্ষিত আচৰণৰ সন্মুখীন হয় তেন্তে মহিলা প্ৰাৰ্থীগৰাকীয়ে কেন্দ্ৰটোৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰিব পাৰিব। পূৰ্বৰ দৰে প্ৰাৰ্থীসকলে লেবেল নথকা স্বচ্ছ পানীৰ বটল পৰীক্ষা কেন্দ্ৰলৈ আনিব পাৰিব। যদি কোনোৱে নিৰ্দেশনাসমূহ উলংঘা কৰে তেন্তে তিনি বছৰ পৰ্যান্ত কাৰাদণ্ড বিহা হ'ব।

০০০০০০০

নিৰ্বাচন আয়োগে আজি ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰে। এই পৰ্যায়ত অহা ২০ নৱেম্বৰত ৰাজ্যখনত ৩৮ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ বাবে ২৯ অক্টোবৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ৩০ অক্টোবৰত মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে পহিলা নৱেম্বৰলৈকে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। ৰাজ্যখনত এইবাৰ ১৩ আৰু ২০ নৱেম্বৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

ইপিনে ৰাজ্যখনৰ প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া ত্বৰান্বিত হৈছে। বৰ্তমানলৈকে ২৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। এই পৰ্যায়ৰ বাবে ২৫ অক্টোবৰ মনোনয়ন দাখিল অন্তিম দিন ধাৰ্য্য কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিদেশ মন্ত্ৰী এছ্ জয়শংকৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ জন্মদিন উপলক্ষে বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কৈছে যে, কঠোৰ পৰিশ্ৰমী নেতাৰূপে পৰিচিত শ্ৰী শ্বাহে দলৰ ভেটি শক্তিশালী কৰাৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিছে। তেওঁ লগতে কয় যে, নেতাগৰাকীয়ে অসাধাৰণ প্ৰশাসক হিচাপে পৰিচয় গঢ়ি তুলিছে আৰু বিকশিত ভাৰতৰ পৰিকল্পনা বাস্তবায়িত কৰাৰ বাবে ভালেমান প্ৰচেষ্টা গ্ৰহণ কৰিছে।

বিদেশ মন্ত্ৰী এছ্ জয় শংকৰে সামাজিক মাধ্যমযোগে গৃহমন্ত্ৰীগৰাকীলৈ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰি কয় যে, দেশৰ সুৰক্ষা, উন্নয়ন আৰু সৰলীকৰণৰ ক্ষেত্ৰত নেতাগৰাকীৰ ভূমিকা সঁচাকৈ অতুলনীয়। তেওঁ লগতে গৃহমন্ত্ৰীগৰাকীৰ সুস্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰে।

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াও শ্ৰী শ্বাহলৈ জন্মদিৰ শুভেচ্ছা জ্ঞাপন কৰিছে। ড০ মন্দাভিয়াই কৈছে যে, শ্ৰী শ্বাহ এগৰাকী দক্ষ সংগঠক আৰু এগৰাকী শক্তিশালী নেতা। শ্ৰী শ্বাহে  অভ্যন্তৰীণ সুৰক্ষা আৰু সমৃদ্ধি সুনিশ্চিত কৰি দেশক প্ৰগতিৰ পথত আগুৱাই নিছে বুলি তেওঁ উল্লেখ কৰে।

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে গৃহমন্ত্ৰীগৰাকীলৈ শুভেচ্ছা জ্ঞাপন কৰি কয় যে, ভাৰতবৰ্ষক প্ৰগতিৰ পথত আগুৱাই নিয়াৰ লগতে দেশৰ অভ্যন্তৰীণ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে শ্ৰী শ্বাহে গ্ৰহণ কৰা সিদ্ধান্তসমূহ সঁচাকৈ অনন্য। সমাজৰ সকলো শ্ৰেণীৰ কল্যাণ আৰু উন্নয়নৰ প্ৰতি শ্ৰী শ্বাহৰ প্ৰতিশ্ৰুতিবদ্ধতা নিদৰ্শনীয় বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

**সমাপ্ত**